# মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ২০২১-২২ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পৰ্কীয় জাননী-১

১) মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ ২০২১-২২ শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অহা ০৫/০১/২০২২ ইং তাৰিখে অনুষ্ঠিত হ'ব।

২) উক্ত নিৰ্বাচন তলত দিয়া পদ সমূহৰ বাবে অনুষ্ঠিত হ'ব।

১) সভাপতি
২) উপ-সভাপতি
৩) সাধাৰণ সম্পাদক
৪) সহঃ সাধাৰণ সম্পাদক
৫) সাহিত্য সম্পাদক
৬) সাংস্কৃতিক সম্পাদক
৭) তৰ্ক সম্পাদক
৮) সমাজ সেৱা সম্পাদক
৯) ক্ৰীড়া সম্পাদক
১০) ফুটবল সম্পাদক
১১) ভলীবল সম্পাদক
১২) ক্ৰিকেট সম্পাদক
১৩) শৰীৰ-চৰ্চা সম্পাদক
১৪) ছাত্ৰ জিৰণি কোঠা সম্পাদক
১৫) ছাত্ৰী জিৰণি কোঠা সম্পাদিকা
১৬) শ্ৰেণী প্ৰতিনিধি ঃ
(উঃমাঃ ১ম আৰু ২য় বৰ্ষ কলা শাখা)
১৭) শ্ৰেণী প্ৰতিনিধি ঃ
(উঃমাঃ ১ম আৰু ২য় বৰ্ষ বিজ্ঞান শাখা)

Election Commission M.C. College Barpeta

৩) প্ৰাৰ্থীৰ যোগ্যতা ঃ

ক) মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ চলিত শিক্ষা বৰ্ষৰ ভৰ্তি বহীত নাম থকা নিয়মীয়া পাঠ্যক্ৰমৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰীহে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰাৰ্থী হ'ব পাৰিব। (P.G.D.C.A ৰ ছাত্ৰ-ছাত্ৰীয়ে এই নিৰ্বাচনত প্ৰাৰ্থী হ'ব নোৱাৰিব।)

খ) সভাপতি পদৰ বাবে স্নাতক পাঠ্যক্ৰমৰ ৫ম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীহে প্ৰাৰ্থী

হ'ব পাৰিব।

গ) উপ-সভাপতি পদৰ বাবে স্নাতক পাঠ্যক্ৰমৰ ৩য় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীহে প্ৰাৰ্থী হ'ব পাৰিব।

ঘ) আনবোৰ সম্পাদক/সম্পাদিকা পদৰ বাবে স্নাতক পাঠ্যক্ৰমৰ ১ম আৰু ৩য় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীহে প্ৰাৰ্থী হ'ব পাৰিব।

ঙ) কোনো অপৰাধত অধ্যক্ষ অথবা আইনৰ বিচাৰত দণ্ডিত হোৱা, বোৰ্ড, কাউন্সিল, বিশ্ববিদ্যালয় অথবা আন কোনো স্বীকৃতিপ্ৰাপ্ত অনুষ্ঠানে পতা পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰাৰ অপৰাধত ইতিপূৰ্বে বহিষ্কৃত হোৱা ছাত্ৰ-ছাত্ৰীয়ে একতা সভাৰ নিৰ্বাচনত প্ৰাৰ্থী হ'ব নোৱাৰিব।

চ) প্ৰাৰ্থীৰ বয়স ০৫/০১/২০২২ ইং তৰিখত ১৭ পৰা ২২ বছৰৰ ভিতৰত হ'ব লাগিব। মানোনয়ন পত্ৰৰ লগত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰবেশ পত্ৰ (Admit Card)ৰ প্ৰতিলিপি বয়সৰ প্ৰমাণ পত্ৰ হিচাপে গাঁথি দিব লাগিব।

ছ) মনোনয়ন পত্ৰৰ লগত প্ৰাৰ্থীৰ পাছপোৰ্ট আকাৰৰ ফটো লগাই দিব লাগিব।

জ) প্ৰাৰ্থী গৰাকীৰ কোনোধৰণৰ শৈক্ষিক বকেয়া (Academic Arrears) থাকিব নোৱাৰিব। প্ৰাৰ্থীয়ে অৱতীৰ্ণ হোৱা বিশ্ববিদ্যালয়ৰ আটাইবোৰ পৰীক্ষাৰ নম্বৰ তালিকা (Marksheet)ৰ প্ৰতিলিপি মনোনয়ন পত্ৰৰ লগত গাঁথি দিব লাগিব। শ্ৰেণী প্ৰতিনিধিৰ ক্ষেত্ৰত এই কথাটো প্ৰযোজ্য নহয়।

ঝ) পূৰ্বতে ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া নিৰ্বাচনত প্ৰাৰ্থী হোৱা কোনো ছাত্ৰ-ছাত্ৰীয়ে এই নিৰ্বাচনত প্ৰাৰ্থী হ'ব নোৱাৰিব।

৪) নিৰ্বাচন সম্পৰ্কীয় সময়সূচী ঃ

ক) ইচ্ছুক প্ৰাৰ্থীসকলে নিৰ্বাচন কাৰ্য্যালয়ৰ পৰা ২৭-১২-২০২১ ইং তাৰিখৰ পৰা (দিনৰ ১০ বজাৰ পৰা ২ বজাৰ ভিতৰত) মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব পাৰিব। প্ৰতিখন মনোনয়ন পত্ৰৰ মূল্য ২০০.০০ টকা (দুশ টকা)।

খ) মনোনয়ন পত্ৰ দাখিলৰ তাৰিখ ঃ ২৯-১২-২০২১ ইং। সময় ঃ পুৱা ১০.০০ বজাৰ পৰা আবেলি ২.০০ বজালৈ।

Election Commission M.C. College Barpeta

গ) বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰ তাৰিখ ঃ ৩০-১২-২০২১ ইং। সময় ঃ বিয়লি ২.০০ বজাত।

ঘ) মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ তাৰিখ ঃ ৩১-১২-২০২১ ইং। সময় ঃ ৰাতিপুৱা ১০.০০ বজাৰ পৰা দুপৰীয়া ১২.০০ বজালৈ।

ঙ) চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰ তাৰিখ ঃ ৩১-১২-২০২১ ইং। সময় বিয়লি ২.০০ বজাত।

চ) ভোট গ্ৰহণৰ তাৰিখ ঃ ০৫-০১-২০২২ ইং। সময় ঃ ৰাতিপুৱা ৯.০০ বজাৰ পৰা দুপৰীয়া ১২.০০ বজালৈ।

ছ) ভোট গণনাৰ তাৰিখ ঃ ০৫-০১-২০২২ ইং। সময় ঃ আবেলি ১.০০ বজাৰ পৰা।

৫) সাধাৰণ নিয়মাৱলী ঃ

১) মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ চলিত শিক্ষা বৰ্ষৰ ভৰ্তি বহীত নাম থকা নিয়মীয়া পাঠ্যক্ৰমৰ নিয়মীয়া ছাত্ৰ-ছাত্ৰীয়েহে এই নিৰ্বাচনত ভোট দান কৰিব পাৰিব। (P.G.D.C.A ৰ ছাত্ৰ-ছাত্ৰীয়ে এই নিৰ্বাচনত অংশ গ্ৰহণ কৰিব নোৱাৰিব।)

২) ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক গৰাকীক কেৱল ছাত্ৰসকলে আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা গৰাকীক কেৱল ছাত্ৰীসকলেহে ভোট দান কৰিব পাৰিব।

৩) উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ শ্ৰেণী প্ৰতিনিধিগৰাকীক কেৱল উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ আৰু উচ্চতৰ মাধ্যমিক কলা শাখাৰ শ্ৰেণী প্ৰতিনিধি গৰাকীক কেৱল উচ্চতৰ মাধ্যমিক কলা শাখাৰ ছাত্ৰ-ছাত্ৰীসকলেহে ভোট দান কৰিব পাৰিব।

৪) ভোট দাতাসকলে ভোট দানৰ সময়ত সমৱেশ (Uniform) পৰিধান কৰা আৰু অধ্যক্ষৰ দ্বাৰা স্বাক্ষৰিত পৰিচয় পত্ৰ (Identity Card) লগত ৰখাটো বাধ্যতামূলক।

৫) ভোট গ্ৰহণ কেন্দ্ৰত ভোটাৰৰ বাহিৰে অইন কোনো অকৰ্ত্তৃত্বশীল ব্যক্তিয়ে প্ৰৱেশ কৰিব নোৱাৰিব। ভোটদানৰ বাহিৰে অন্য কাৰণত প্ৰাৰ্থীয়েও নিৰ্বাচন পৰিষদৰ অনুমতি সাপেক্ষেহে ভোট গ্ৰহণ কেন্দ্ৰত প্ৰৱেশ কৰিব পাৰিব।

৬) ভোট গণনাৰ সময়ত গণনাকেন্দ্ৰত প্ৰাৰ্থী নিজে অথবা তেওঁৰ মনোনীত প্ৰতিনিধি এগৰাকীহে উপস্থিত থাকিব পাৰিব।

৭) মহাবিদ্যালয়ৰ হাজিৰা বহীত নাম নথকা কোনো ছাত্ৰ-ছাত্ৰী নিৰ্বাচন প্ৰক্ৰিয়াত কোনো ধৰণে জড়িত হ'ব নোৱাৰিব। অন্যথা তেনে ব্যক্তি শাস্তিমূলক ব্যৱস্থাৰ সন্মুখীন হোৱাৰ উপৰিও সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীৰ প্ৰৰ্থীত্বও বাতিল হ'ব পাৰে।

৮) এগৰাকী প্ৰাৰ্থীয়ে একাধিক পদবীৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব নোৱাৰিব?

৯) প্ৰতি গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচন সম্পৰ্কীয় খৰছ ৫০০০.০০ (পাঁচ হাজাৰ) টকাতকৈ বেছি হ'ব নোৱৰিব আৰু নিৰ্বাচন সমাপ্তিৰ দুসপ্তাহৰ ভিতৰত (১৯-০১-২০২২) প্ৰত্যেকেই নিজৰ দ্বৰা প্ৰত্যায়িত হিচাপ অধ্যক্ষৰ ওচৰত দাখিল কৰিব লাগিব।

১০) ছপা কৰা কোনোধৰণৰ প্ৰচাৰ সামগ্ৰী নিৰ্বাচন প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিব নোৱাৰিব। অৱশ্যে হাতে লিখা পোষ্টাৰ আদি নিৰ্বাচন পৰিষদে নিৰ্দিষ্ট কৰি দিয়া

M.C. College ★ Barpeta ★ Election Com

স্থানত লগাব পাৰিব।

১১) নিৰ্বাচন প্ৰচাৰৰ বাবে লাউড-স্পীকাৰ, যান-বাহন আদি ব্যৱহাৰ কৰিব নোৱাৰিব।

১২) কোনো প্ৰাৰ্থী আৰু সমৰ্থকে শ্ৰেণীকোঠৰ ভিতৰত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব।

১৩) ০৪-০১-২০২২ ইং তাৰিখ দুপৰীয়া ১২.০০ বজাৰ পিছত নিৰ্বাচনী প্ৰচাৰ বন্ধ থাকিব লাগিব।

১৪) নিৰ্বাচনৰ দিনা প্ৰাৰ্থী বা সমৰ্থকে ভোটাৰ সকলক কোনোধৰণৰ প্ৰচাৰ পত্ৰ বিলাব নোৱাৰিব।

১৫) নিৰ্বাচন শেষ হোৱাৰ ৪৮ ঘণ্টাৰ ভিতৰত প্ৰাৰ্থীসকল সমূহীয়া ভাবে ভোট গ্ৰহণ কেন্দ্ৰ পৰিষ্কাৰ কৰিবলৈ বাধ্য থাকিব।

১৬) কোনো ছাত্ৰ-ছাত্ৰীৰ নিৰ্বাচন সম্পৰ্কীয় ওজৰ-আপত্তি থাকিলে তেওঁলোকে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ ১ সপ্তাহৰ ভিতৰত (১২-০১-২০২২) অভিযোগ নিষ্পত্তিকাৰী কোষ (Grievance Redressal Cell)ৰ ওচৰত লিখিত ৰূপত অভিযোগ দাখিল কৰিব পাৰিব।

১৭) উপৰি উক্ত নিয়মসমূহৰ উলংঘন প্ৰমাণিত হ'লে ছাত্ৰ একতা সভাৰ প্ৰাৰ্থীত্ব/পদবী নাকচ কৰা হ'ব।

23/12/21
(Shahjahan Ali Siddique)

মুখ্য নিৰ্বাচন বিষয়া,
ছাত্ৰ একতা সভাৰ নিৰ্বাচন, ২০২১ - 2022

Election Commission M.C. College Barpeta

Chief Election Officer
Election to Students' Union
M.C. College Barpeta